# 2022

# ADVANCE ASSAMESE

## (NEW COURSE)

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No.* **1** *carries* **1** *mark each* | 1×3 = 3 |
| *Q. No.* **2** *carries* **4** *marks* | 4×1 = 4 |
| *Q. No.* **3** *carries* **4** *marks* | 4×1 = 4 |
| *Q. No.* **4** *carries* **3** *marks each* | 3×3 = 9 |
| *Q. No.* **5** *carries* **1** *mark each* | 1×3 = 3 |
| *Q. No.* **6** *carries* **6** *marks* | 6×1 = 6 |
| *Q. No.* **7** *carries* **3** *marks each* | 3×2 = 6 |
| *Q. No.* **8** *carries* **8** *marks* | 8×1 = 8 |
| *Q. No.* **9(a)** *carries* **2** *marks* | 2×1 = 2 |
| *Q. No.* **9(b)** *carries* **3** *marks* | 3×1 = 3 |
| *Q. No.* **9(c)** *carries* **3** *marks* | 3×1 = 3 |
| *Q. No.* **10** *carries* **4** *marks* | 4×1 = 4 |
| *Q. No.* **11** *carries* **5** *marks* | 5×1 = 5 |
| *Q. No.* **12(a)** *carries* **1** *mark* | 1×1 = 1 |
| *Q. No.* **12(b)** *carries* **2** *marks* | 2×1 = 2 |
| *Q. No.* **12(c)** *carries* **2** *marks* | 2×1 = 2 |
| *Q. No.* **13** *carries* **6** *marks* | 6×1 = 6 |
| *Q. No.* **14** *carries* **4** *marks* | 4×1 = 4 |
| *Q. No.* **15** *carries* **6** *marks* | 6×1 = 6 |
| *Q. No.* **16(a)** *carries* **3** *marks* | 3×1 = 3 |
| *Q. No.* **16(b)** *carries* **1** *mark* | 1×1 = 1 |
| *Q. No.* **17** *carries* **6** *marks* | 6×1 = 6 |
| *Q. No.* **18** *carries* **6** *mark* | 6×1 = 6 |
| *Q. No.* **19** *carries* **1** *mark each* | 1×3 = 3 |
| | Total = 100 |

*Contd.*

১। চমু উত্তৰ দিয়া ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) 'ভক্তি-প্ৰদীপ' গ্ৰন্থৰ ৰচক কোন?

(খ) কবিয়ে দেৱতাৰ সলনি কাক পূজা কৰিবলৈ আহ্বান জনাইছে?

(গ) সমুদ্ৰ মন্থনত ওলোৱা বিষৰ নাম কি?

(ঘ) 'ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ তাণ্ডৱণ'স্বৰূপ সৰু গাঁওখনিৰ নাম কি?

(ঙ) 'অভ্ৰভেদী বীৰ' বুলি কবিয়ে কাক কৈছে?

২। (ক) 'বৰ্ষা বৰ্ণন' কবিতাটিৰ আধাৰত 'বৃষ্টিজল' পালে প্ৰকৃতিৰ ৰূপ কেনে হয় লিখাঁ। ৪

*অথবা*

(খ) 'মানৱ বন্দনা' কবিতাটিৰ অন্তৰ্নিহিত সাৰমৰ্মৰ আভাস দিয়া। ৪

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ১+৩=৪

(ক) বহৰৈ বিপথে অতি ক্ষুদ্ৰ নদী যত।
কৰৈ অকাৰ্য্যক যেন ধনৰ গৰ্ব্বত।।

(খ) ই যে নৰনাৰায়ণ লাঞ্ছিত হোৱা ভয়াবহ ইতিহাস,
ই যে জীৱনৰ হকে মৰিবৰ হেতু প্ৰাণভৰা অভিলাষ।

(গ) মোৰে জুহালতে বহি
বুৰঞ্জীৰ পাত লুটিয়াই
ভৱিষ্যতৰ কথা কয়
কল্পনা-লঙ্ঘা
শুনো বহি বহি মই কাঞ্চনজঙ্ঘা।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৩×৩=৯

(ক) বৰষুণ অহা দেখি কৃষ্ণৰ লগতে গোপগণে কি কৰিছিল?

(খ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য প্ৰতিভা সম্পৰ্কে চমুকৈ লিখাঁ।

(গ) "ই যে মাতৃ আদেশ, সন্তান-প্ৰাণ দিবলকে বলিদান।" — কবিয়ে কি প্ৰসংগত এইদৰে কৈছে লিখাঁ।

(ঘ) কবিয়ে কমাৰফদিয়া গাঁৱৰ কেনেধৰণৰ পৰিৱৰ্তন হোৱাৰ কথা উল্লেখ কৰিছে?

(ঙ) মহাদেৱৰ গুণ আৰু কাৰ্য কাঞ্চনজঙ্ঘাত কবিয়ে কিয় আৰোপ কৰিছে?

৫। চমু উত্তৰ লিখাঁ ঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) দৰ্শন শব্দটো সংস্কৃত কি ধাতুৰপৰা নিষ্পন্ন হৈছে?

(খ) কাশীনাথ তামুলী ফুকনৰ 'অসম বুৰঞ্জী'খন কোনে বহলকৈ লিখি উলিয়াইছিল?

(গ) ধী-শক্তি মানে কি?

(ঘ) 'বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ' পুস্তিকাখনৰ ৰচক কোন আছিল?

(ঙ) সূৰ্য তুলা ৰাশিলৈ গ'লে কোনটো বিহু অনুষ্ঠিত হয়?

৬। (ক) 'বুৰঞ্জীৰ দৌৰাত্ম্য' পাঠৰ আধাৰত অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে চমুকৈ লিখাঁ। ৬

*অথবা*

(খ) শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱন দৰ্শনত থকা পাৰ্থক্যসমূহ পাঠৰ আধাৰত বুজাই লিখাঁ। ৬

৭। তলত দিয়া ***যিকোনো দুটাৰ*** বিষয়ে চমুকৈ লিখাঁ ঃ ৩×২=৬

(ক) বেদ

(খ) লক্ষ্মীধৰ শৰ্মাৰ সাহিত্য-কৃতি

(গ) ধৰ্মগ্লানি অৱস্থাৰ কাৰণ

(ঘ) 'বিহু' শব্দৰ উৎপত্তি

৮। (ক) 'কপিলীপৰীয়া সাধু' উপন্যাসত মহাত্মা গান্ধীৰ প্ৰসংগ কেনেদৰে সন্নিৱিষ্ট হৈছে আলোচনা কৰাঁ। ৮

*অথবা*

(খ) "কপিলীয়েই কপিলীপৰীয়া মানুহৰ জীৱন।"— এই উক্তিৰ আধাৰত 'কপিলীপৰীয়া সাধু' উপন্যাসত কপিলী নদীখনৰ ভূমিকা সম্পৰ্কে বিচাৰ কৰাঁ। ৮

৯। (ক) 'কৈদী' গোসাঁই কাৰ নাম? তেওঁ কিয় জেললৈ গৈছিল? ২

(খ) বাটে বাটে 'পচেচন'ত মানুহবোৰে গোৱা গানটো কি আছিল? ৩

(গ) ৰূপায়ে তিলক গোসাঁইলৈ লিখা চিঠিখনৰ মৰ্মাৰ্থ কি আছিল? ৩

১০। তলত দিয়া *যিকোনো এজনৰ* বিষয়ে চমুকৈ লিখাঁ ঃ ৪

ধীৰচিং

চুধাংচু বাবু

সোণপাহী

১১। (ক) 'আমাৰ ছাৰ' কোন? খঙাল হ'লেও তেওঁ 'সাৰ্বজনীন ছাৰ' হৈ উঠাৰ কাৰণসমূহ কি কি গল্পটিৰ আধাৰত লিখাঁ। ১+৪=৫

*অথবা*

(খ) প্ৰজন্মৰ ব্যৱধানে মূল্যবোধৰ অৱক্ষয়ত কেনেধৰণৰ অৰিহণা যোগাইছে, 'হাতী' গল্পৰ আধাৰত বিশ্লেষণ কৰাঁ। ৫

১২। (ক) টেঙৰ হাজৰাৰ প্ৰকৃত নাম কি? ১

(খ) "দুষ্টালিৰ লগে লগে পদ্মেশ্বৰৰ বহুত গুণো আছিল।"— গুণসমূহ কি কি? ২

(গ) 'প্ৰাচীন হৈ যাব ধৰা পৃথিৱীৰ দুটা অথৰ্ব প্ৰতিনিধি' বুলি গল্পকাৰে কাৰ কাৰ কথা কৈছে? ২

১৩। (ক) চুটিগল্প কাক বোলে? চুটিগল্পৰ বৈশিষ্ট্যসমূহৰ বিষয়ে চমুকৈ লিখাঁ। ২+৪=৬

*অথবা*

(খ) উপন্যাস আৰু চুটিগল্পৰ পাৰ্থক্য বিচাৰ কৰি এটি নাতিদীৰ্ঘ টোকা যুগুত কৰাঁ। ৬

১৪। তলৰ *যিকোনো এটাৰ* বিষয়ে চমুকৈ লিখাঁ ঃ ৪

(ক) উপন্যাসৰ সংজ্ঞা

(খ) চুটিগল্পৰ প্ৰকাৰ

(গ) ঐতিহাসিক উপন্যাস

১৫। (ক) অলংকাৰ কাক বোলে? ই কেইবিধ আৰু কি কি? কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা কেনে? ১+২+৩=৬

*অথবা*

(খ) অৰ্থালংকাৰ কাক বোলে? উদাহৰণসহ দুবিধ অৰ্থালংকাৰৰ বিষয়ে লিখাঁ। ৬

১৬। (ক) “জৰাসন্ধ আদি কৰি যতেক নৃপতি আছে
তোমাৰ লগত যেন তৃণ।
প্ৰচণ্ড বাঘৰ আগে যেন গাৰ ঘেলাৰয়
অতি ক্ষুদ্ৰ মৃগ যে হৰিণ।।

— এই কাব্যপংক্তিত কি অলংকাৰ প্ৰয়োগ হৈছে? অলংকাৰবিধৰ বিষয়ে অতি চমুকৈ লিখাঁ। ১+২=৩

(খ) সংস্কৃত কি শব্দৰপৰা ‘অলংকাৰ’ শব্দটো উৎপত্তি হৈছে? ১

১৭। শৰৎ চন্দ্ৰ গোস্বামী *অথবা* ৰমা দাশৰ চুটিগল্পৰ বিষয়ে এটি নাতিদীৰ্ঘ টোকা যুগুত কৰাঁ। ৬

১৮। পদ্মনাথ গোহাঞিবৰুৱা *অথবা* দণ্ডীনাথ কলিতাৰ উপন্যাসৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা আগবঢ়োৱা। ৬

১৯। চমু উত্তৰ লিখাঁঃ *(যিকোনো তিনিটা)* ১×৩=৩

(ক) মানৰ আক্ৰমণৰ ভিত্তিত ৰজনীকান্ত বৰদলৈয়ে লিখা এখন উপন্যাসৰ নাম লিখাঁ।

(খ) 'সুৰভি' গল্প সংকলনটিৰ ৰচক কোন?

(গ) 'জোনাকী' আলোচনী বাদ দি ১৮৮৯-১৯৪০— এই সময়ছোৱাত চুটিগল্পই বিশেষ মাত্ৰা লাভ কৰা অসমীয়া আলোচনী এখনৰ নাম লিখাঁ।

(ঘ) জনজাতীয় পটভূমিক লৈ লিখা প্ৰথম সামাজিক উপন্যাসখনৰ নাম কি?

———×———